জাতিৰ আৱেগ সমাজৰ বিৱেক

# দৈনিক জনমভূমি

portal : www.dainikjanambhumi.com e-paper : www.dainikjanambhumi.co.in Dainik Janambhumi

শতিতম বছৰ, সংখ্যা ১৫৬ ● বৃহস্পতিবাৰ ● ৩০ মাঘ ১৯৪৬ শক RNI No. ASSASS/2006/16737 DAINIK JANAMBHUMI Tinsukia Thursday February 13, 2025 ● ১৪ পৃষ্ঠা ● তিনিচুকীয়া, যোৰহাট, গুৱাহাটী আৰু বঙাই

## ধলা আহোম গাঁৱত চাঞ্চল্য

## কলশৰীয়া দ্ধাক নৃশংস ত্যা দুৰ্বৃত্তৰ

াপ ঃ নিজা প্ৰতিবেদক, ১২ ৰুৱাৰী ঃ তিনিচুকীয়া জিলাৰ াপ আৰক্ষী চকীৰ অন্তৰ্গত আহোম গাঁৱত যোৱা নিশা ৰাকী বয়োজ্যেষ্ঠ মহিলাক ভিতৰতে হত্যা কৰি থৈ াৰ ঘটনাই অঞ্চলটোত ল্যৰ সৃষ্টি কৰিছে। ঘটনাৰ ণী মতে গাঁওখনৰ মইনা াহাঁই ১৩ *পিঠিলৈ*

## অভিধান আৰু ইতিহাস দুয়োটাই জাতিৰ সম্পদ ঃ ড° শশীকান্ত শইকীয়া

# বিশিষ্ট লেখক, চিকিৎসক ডাঃ অতুল বৰগোহাঁইক পণ্ডিত টেঙাই মহন বঁটা প্ৰদান

**মৰাণ** ঃ নিজা সংবাদদাতা, ১২ ফেব্ৰুৱাৰী ঃ অভিধান আৰু ইতিহাস দুয়োটাই জাতিৰ সম্পদ। অভিধানে শব্দ,ভাষাৰ যোগেদি ইতিহাস লিপিবদ্ধ কৰে আৰু ইতিহাসে জাতিৰ উৎপত্তি, বিকাশ, ৰাজনৈতিক, সামজিক, সাংস্কৃতিক, পৰম্পৰা সংৰক্ষণ আদিৰ বিষয়ে লিপিবদ্ধ কৰে। দুয়োটাই একো একোটা জাতিৰ ঐতিহাসিক দলিল। আজিৰপৰা প্ৰায় দুশ বছৰৰ আগতে পণ্ডিত টেঙাই মহনে অভিধান সৃষ্টি কৰি এক ইতিহাস সৃষ্টি কৰি গৈছে। কাৰ্নে মহাবিদ্যালয়ৰ অধ্যক্ষ, বিশিষ্ট লেখক, সাহিত্যিক ড° শশীকান্ত শইকীয়াই এইদৰে কয়। বৰবৰুৱাৰ চ্যুকাফা ভৱনত বিশিষ্ট চিকিৎসক, সাহিত্যিক ডাঃ অতুল বৰগোহাঁইক প্ৰথমখন অভিধান প্ৰণেতা পণ্ডিত টেঙাই মহন বঁটা প্ৰদান কৰা অনুষ্ঠানত অংশগ্ৰহণ কৰি লেখক ১৩ *পিঠিলৈ*





# বিশিষ্ট লেখক, চিকিৎসক...

ড° শইকীয়াই কয় যে পণ্ডিত টেঙাই মহন এগৰাকী বিশিষ্ট বুৰঞ্জীবিদ, অসমৰ প্ৰথমখন অভিধান প্ৰণেতা, লেখক, চিন্তাবিদ,বুদ্ধিজীৱী আছিল। আচলতে টেঙাই মহন অসমৰ অন্যতম এগৰাকী কিংবদন্তি পুৰুষ আছিল। তেওঁ সৃষ্টি কৰা অভিধান আৰু বুৰঞ্জীমূলক সৃষ্টিসমূহে অসমীয়া জাতিৰ ইতিহাস লিপিবদ্ধ কৰি গৈছে। সেয়া যেন প্ৰথমখন অভিধানৰ সমান্তৰালভাৱে অসমীয়া জাতিৰ বহুমূলীয়া এক ইতিহাস। কেৱল অভিধান বুলি কৈ থ'লে ই পূৰ্ণতা নাপায় বুলিও তেওঁ কয়। টেঙাই মহনৰ অধ্যৱসায় আৰু সাধনাৰ পৰা অসমীয়া সমাজে বহু কথা শিকিব পাৰে। অধ্যক্ষগৰাকীয়ে কয় যে যিকোনো এটা জাতিৰ উন্নতি সেই জাতিৰ অতীত অধ্যয়নৰ পৰা জানিব পাৰি। জাতিটোক আগুৱাই নিবলৈ হ'লে অতীত অধ্যয়ন কৰিব লাগিব। অতীত অধ্যয়নে ভৱিষ্যতৰ বাট মুকলি কৰে বুলিও তেওঁ কয়। নতুন প্ৰজন্মই অভিধান, ইতিহাস অধ্যয়ন কৰাটো নিতান্তই প্ৰয়োজন বুলি উল্লেখ কৰি ড° শইকীয়াই কয় যে অতীতৰ গভীৰ বিশ্লেষণ কৰি আগুৱাই গ'লে ভৱিষ্যতে ভুল হোৱাৰ সম্ভাৱনা কম হয়। অভিধানত জাতিৰ চিন্তা যেনেকৈ লিপিবদ্ধ কৰা হয়, একেদৰে ইতিহাসতো জাতিৰ দৰ্শন থাকে। সমাজ গঠনত তেনে চিন্তাই সহায় কৰে বুলি উল্লেখ কৰি তেওঁ কয় যে সমাজ সদায় সত্য তথ্যৰ ওপৰত নিৰ্ভৰ কৰে। শুদ্ধ আৰু সত্য তথ্যই সমাজ সুন্দৰ কৰা আদৰ্শ পণ্ডিত টেঙাই মহনে প্ৰায় দুশ বছৰ পূৰ্বে অভিধান, বুৰঞ্জী লিখি অসমীয়া জাতিক ভাষা, শব্দৰ যোগেদি অতীতৰ তথ্য সংৰক্ষণৰ বাট মুকলি কৰি গৈছিল। অসমীয়াৰ প্ৰথমখন অভিধান প্ৰণেতা হিচাপে তেওঁ অসমীয়া ভাষা-সাহিত্যৰ সেৱা কৰি গ'ল বুলি তেওঁ কয়। আচলতে সেয়া অভিধান নুবুলি অসমীয়া জাতিৰ এক অলিখিত ইতিহাস বুলিব পাৰি বুলিও তেওঁ কয়। টাই আহোম যুৱ পৰিষদৰ ডিব্ৰুগড় জিলা সমিতিৰ উদ্যোগত আয়োজিত অনুষ্ঠানটোৰ পৌৰোহিত্য কৰে সমিতিৰ সভাপতি সৰ্বজ্যোতি গগৈয়ে। সমিতিৰ সাধাৰণ সম্পাদক সুজিত চাংমাইয়ে আঁত ধৰা অনুষ্ঠানত পণ্ডিত টেঙাই মহনৰ মৈদাম উদ্ধাৰত নেতৃত্ব বহন কৰা বিশিষ্ট মহিলা অঞ্জলি চেতিয়া, টাই আহোম যুৱ পৰিষদৰ সভাপতি বিজয় ৰাজকোঁৱৰ, কাৰ্যকৰী সভাপতি ৰুদ্ৰসাগৰ বুঢ়াগোহাঁই, অসম আদিত্যৰ সম্পাদক মনজিৎ বৰা, বিশিষ্ট নৃত্যশিল্পী ৰবি সন্দিকৈ, ডিব্ৰুগড় জিলা ছাত্ৰ সন্থাৰ সভাপতি ৰূপজ্যোতি বৰঠাকুৰ, উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ অসীম হাজৰিকা, টাই আহোম উন্নয়ন পৰিষদৰ সদস্য সূৰ্য বৰগোহাঁই আদি উপস্থিত থাকে। উল্লেখযোগ্য যে বৰ্তমান টিংখং চাহ বাগিচাৰ জ্যেষ্ঠ চিকিৎসা পৰামৰ্শদাতা হিচাপে কৰ্মৰত ডাঃ অতুল বৰগোহাঁয়ে কেইবাখনো গ্ৰন্থ ৰচনা কৰিছে। প্ৰায় পোন্ধৰখন ভিন্ন চাহ বাগিচাত চিকিৎসা বিষয়া হিচাপে তেওঁ কাম কৰি আহিছে। বঁটা গ্ৰহণ কৰি ডাঃ অতুল বৰগোহাঁয়ে কয় যে বঁটা প্ৰদান অনুষ্ঠানে তেওঁক আৱেগ আৰু গৌৰৱৰ প্ৰবল অনুভূতিৰে আগুৰি ধৰিলে। এই মুহূৰ্তত মই আৱেগিক হৈছোঁ যদিও একে সময়তে পণ্ডিত টেঙাই মহন বঁটাৰে সন্মানিত হোৱাত নিজকে ভাগ্যৱান বুলি অনুভৱ কৰিছোঁ বুলি উল্লেখ কৰে। টেঙাই মহন অভিধান লিখিবলৈ আৰম্ভ কৰা প্ৰথম অসমীয়া বুলি উল্লেখ কৰি মহান আত্মাক তেওঁ শ্ৰদ্ধা জনাইছোঁ বুলি মন্তব্য কৰে।